OFFICE OF THE PRINCIPAL & SECRETARY
**Silapathar Science College**
**ESTD:1996**
Amritpur, Silapathar - 787059
Website:-www.silapatharsciencecollege.ac.in
Email: -silapatharsciencecollege@gmail.com

**Ref No S.Sc.C/ BGS/2024/ 1259** **Date:- 16/11/2024**

**To,**
**The Director of Higher Education.**
Kahilipara, Ghuwahati-

Subject: Submission of Report on "Bhaka Gaurav Sapta"

R/Ma'am,

I am pleased to forward herewith the comprehensive report on the "Bhaka Gaurav Sapta" event conducted by our institution. The report includes detailed accounts of all activities, participation, and outcomes associated with the event.

Please find the report enclosed for your kind perusal and necessary action.

Thank you for your support and guidance.

Yours sincerely,

(Dr. R.saikia)
Principal
Silapathar Sc. College,
Silapathar

Principal
Silapathar Science College
Silapathar, Pin - 787059

Scanned with CamScanner

**প্ৰতিবেদন**

# "ভাষা গৌৰৱ সপ্তাহ " উদযাপন

**চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়, অমৃতপুৰ।**

**তাৰিখ: ০৮/১১/২০২৪**

চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ত অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত অসমীয়া ভাষাক ভাৰত চৰকাৰে ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ উপলক্ষে অসম চৰকাৰে যোৱা ইংৰাজী ০৩/১১/২০২৪ ৰ পৰা ০৯/১১/২০২৪ তাৰিখলৈ "ভাষা গৌৰৱ সপ্তাহ" হিচাপে পালন কৰিবলৈ দিয়াৰ নিৰ্দেশনা জাৰি কৰা অনুসৰি আজি ইং ৮/১১/২০২৪ তাৰিখ শুক্ৰবাৰে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত "ভাষা গৌৰৱ সপ্তাহ" দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। কাৰ্যসূচী আৰম্ভনিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত শইকীয়া ডাঙৰীয়াৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত এগছি বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ ৰুক্মিণী আৱাসি ছাত্ৰী সকলৰ দ্বাৰা অসমৰ জাতীয় সংগীতেৰে মঞ্চ উদ্বোধন কৰা হয়। ইয়াৰ লগে লগে অসমীয়া বিভাগৰ মূৰব্বী সহকাৰী অধ্যাপিকা শ্ৰীযুক্তা তৃষ্ণা ভূঞা শইকীয়াই ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা আৰু তাৎপৰ্যৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱাৰ ওপৰিও ঐতিহ্য আৰু ইতিহাস সম্পৰ্কে গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়াই। এই সভাত উপস্থিত থাকে মহাবিদ্যালয় সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী তথা গোলাঘাটৰ সমাজ সংস্কৃতিৰ লগত জড়িত অভিভাৱক শ্ৰীযুত কুমিচ হাজৰিকাৰ দেৱ। সভাত উপস্থিত থকা গণিত বিভাগৰ মুৰব্বী সহকাৰী অধ্যাপক শ্ৰী ভাস্কৰ জ্যোতি ভূঞা দেৱে সভাৰ লগত সংগতি ৰাখি জয়ন্ত হাজৰিকাৰ এটি কালজয়ী গীত পৰিৱেশন কৰাৰ লগতে প্ৰবীণ বৈদ্য আৰু খগেন মৰাং এ গীত পৰিৱেশন কৰে।

কাৰ্যসূচী অনুসৰি সভাত উপস্থিত থকা শ্ৰদ্ধাৰ ব্যক্তিসকলক এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। স্নাতক তৃতীয় ষান্মাষিকৰ ছাত্ৰ জয়ন্ত সৰকাৰৰ এটি স্ব-ৰচিত কবিতা পাঠ কৰে। মাননীয় অধ্যক্ষ মহোদয়ে অসমীয়া ভাষাটোৰ প্ৰতি গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়োৱাৰ উপৰিও এটি ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ হিৰণ দলে অসমীয়া ভাষাক ছাত্ৰ হিচাপে কেনেদৰে গ্ৰহণ আৰু কৰ্তব্য পালন কৰিব সেই সম্পৰ্কে মনৰ অনুভৱ ব্যক্ত কৰে।সভাৰ লগত সংগতি ৰাখি অসমীয়া বিভাগে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দুটি প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰথমে বৰ্ণ বিন্যাস শুদ্ধিকৰণ প্ৰতিযোগিতা আৰম্ভ হয়। এই প্ৰতিযোগিতা আঁতধৰে পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক শ্ৰী উৎপল দত্তই আৰু এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ যুটীয়াভাৱে শ্ৰীমতী অঞ্জনা সৰকাৰ আৰু তানিশা দাসে পাবলৈ সক্ষম হয়।দ্বিতীয় পুৰস্কাৰ সোনালী হাজং আৰু তৃতীয় শ্ৰীমতী ৰশ্মি ৰেখা দাসে পাবলৈ সক্ষম হয়। দ্বিতীয়তে মাননীয় প্ৰধান মন্ত্ৰী মহোদয় লৈ ধন্যবাদ সূচক এখনি পত্ৰ লিখাৰ প্ৰতিযোগিতা আৰম্ভ হয়। এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ শ্ৰী অমিৰ দলে, দ্বিতীয় পুৰস্কাৰ শ্ৰীমতী কুঞ্জলতা কোঁচ আৰু তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে শ্ৰীমতী সোনালী হাজং আৰু শ্ৰীমতী শিখামণি ৰায়ে পাবলৈ সক্ষম হয়।

এই সভাখন আৰু অধিক মনোগ্ৰাহী কৰি তুলিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱাৰ সম্পাদিকা শ্ৰীমতী চিলা গুৰুং আৰু সাংস্কৃতিক সম্পাদিকা শ্ৰীমতী তনুজা মিলিৰ দ্বাৰা দুটি সুন্দৰ সৃষ্টিশীল নৃত্য প্ৰদৰ্শন কৰা হয়। ইয়াৰ লগে লগে প্ৰতিযোগিতাত বিজয়ী সকলক একোখনকৈ মানপত্ৰ আৰু নগদ ধনেৰে পুৰস্কিত কৰা হয়। বঁটা বিতৰণী কাৰ্যসূচী ৰূপায়ন কৰাৰ পিছতে ড°পৱিত্ৰ শৰ্মা আৰু শ্ৰীমতী বৰ্ণালী সন্দিকৈৰ দ্বাৰা পৰিচালনা কৰা এই সভাখনিৰ শলাগৰ শৰাই আগবঢ়াই শ্ৰীমতী বৰ্ণালী সন্দিকৈয়ে । সদৌ শেষত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে সভা ভংগ কৰা হয়।

Tsaikia

মুৰব্বী সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ
চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়, অমৃতপুৰ।

Scanned with CamScanner











Saikia

Scanned with CamScanner

■ RNP/GH/075/2024-2026 ■ REGN. NO. ASSASS/2002/10738
■ Vol : 22 ■ No. 304 MONDAY
■ e-paper : www.asomiyapratidin.in

■ আজিৰ কাকত ১৬ পৃষ্ঠাৰ

# অসমীয়া প্ৰতিদিন

'অসমীয়া প্ৰতিদিন' নিয়মিতভাৱে লাভ কৰাত অসুবিধা পাইছে নেকি? যোগাযোগ কৰক : ৬০০০০০৫১১০

... ■ সোমবাৰ, ১১ নৱেম্বৰ ■ ASOMIYA PRATIDIN ■ NOVEMBER 11, 2024 ■ ... ' / Lakhimpur Edition ' ■ ...



## চিলাপথাৰৰ বিজ্ঞান মহাবিদ্যালয়ত ভাষা গৌৰৱ সপ্তাহ পালন

প্ৰতিদিন সেৱা, চিচিবৰগাঁও, ১০ নৱেম্বৰ : চিলাপথাৰৰ বিজ্ঞান মহাবিদ্যালয়ত অসমীয়া বিভাগ আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত মহাবিদ্যালয় প্ৰাংগণত 'ভাষা গৌৰৱ সপ্তাহ' পালন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত শইকীয়াই। ইয়াৰ পিচত কম্পিনী ছাত্ৰী নিবাসৰ আবাসী ছাত্ৰীসকলৰ দ্বাৰা অসমৰ জাতীয় সংগীতেৰে সভা উদ্বোধন কৰা হয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা তৃষ্ণা ভূঞা শইকীয়াই ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু তাৎপৰ্য, অসমীয়া ভাষাৰ ঐতিহ্য আৰু ইতিহাস সম্পৰ্কত বক্তব্য ৰাখে। গণিত বিভাগৰ মুৰব্বী অধ্যাপক জ্ঞানজ্যোতি ভূঞাই জয়ন্ত হাজৰিকাৰ এটা কালজয়ী গীত পৰিবেশন কৰে। প্ৰবীণ বৈশ্য, খগেন বৰাই গীত পৰিবেশন আৰু স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ জয়ন্ত সুৰকোৱৰ দ্বাৰা এটা স্বৰচিত কবিতা পাঠ কৰা হয়। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষয়ো বক্তব্য দিয়ে। মহাবিদ্যালয়ৰ ছাত্ৰ দ্বিৰণ দলেই মনৰ অনুভৱ ব্যক্ত কৰে। সভাৰ লগতে সংগতি ৰাখি অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৰ্ণ বিন্যাস, শুদ্ধিকৰণ প্ৰতিযোগিতা অনুষ্ঠিত কৰে।



এই প্ৰতিযোগিতাত অঞ্জনা সৰকাৰ আৰু অনিশা দাসে যুটীয়াভাৱে প্ৰথম পুৰস্কাৰ, সোণালী হাজংয়ে দ্বিতীয় আৰু ৰশ্মিৰেখা দাসে তৃতীয় পুৰস্কাৰ লাভ কৰে। সভাৰ শেষত অনুষ্ঠিত কৰা ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ ধন্যবাদসূচক পত্ৰ লিখাৰ প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ অমিৰ দলে, দ্বিতীয় পুৰস্কাৰ কুঞ্জলতা কোচ আৰু তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰে সোণালী হাজং আৰু শিখামণি বাৰে। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱাৰ সম্পাদিকা চিলা বৰুৱা আৰু সাংস্কৃতিক সম্পাদিকা অনুজা মিলিৰ দ্বাৰা দুটা সৃষ্টিশীল নৃত্য প্ৰদৰ্শন কৰাৰ অন্তত প্ৰতিযোগিতাত বিজয়ীসকলক একোখনকৈ মানপত্ৰ আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হয়। শলাগৰ শৰাই আগবঢ়ায় ৰূপালী সন্দিকৈয়ে।

Saikia

8/11/2024

Scanned with CamScanner

स्वतंत्र प्रभात
10 Nov 2024 - Page 12

# सिलापथार विज्ञान महाविद्यालय में दिन भर की कारिक्रोमो के साथ  भाषा गौरव सप्ताह पालन।

**● - महाविद्यालय के असमिया विभाग के विद्यार्थियों की पहल में किया बिभिन्न प्रतियोगिता का आयोजन।**








**स्वतंत्र प्रभात**

**असम धेमाजी।** भारत सरकार ने अन्य कई भाषाओं के साथ  असमिया भाष को ध्रुपद भाषा का मर्यादा देने के बाद राज्य सरकार ने असम में  तीन नवंबर से नो नवंबर तक "भाषा गौरव सप्ताह" मनाने का निर्णय लिया है। शुक्रवार आठ तारिक को सिलापथार विज्ञान महाविद्यालय के परिसर में "भाषा गौरव" पूरे दिन व्यापक प्रसूति के साथ भाषा गौरव सप्ताह मनाया गया। कार्यक्रम का उद्घाटन किया महाविद्यालय के प्राचार्य डॉ.रंजीत सैकिया ने रंजीत शेखिया और कॉलेज के प्रवक्ताओं ने। रुक्मिणी छात्र छात्रावास के निवासियों ने असम के जातीय संगीत गाकर मंच का उद्घाटन किया। असमिया विभाग की प्रमुख प्रोफेसर श्रीमती तृष्णा भुइयां शेखिया ने ध्रुपद भाषाओं की स्थिति और महत्व के बारे में स्पष्ट रूप से बात की और विरासत और इतिहास पर चर्चा किया।अनुष्ठान में महाविद्यालय के अन्य बिभाग के प्रवक्ताओं के साथ विद्यार्थियों ने भारी संख्या में भाग लिया।

कारिकर्म में असमीया भाषा के बर्नविन्यासः बिसुद्धकरण प्रतिक्रिया के साथ भारत के प्रधानमंत्री को धन्यवादशुसक खत लिखने की प्रतियोगिता का आयोजन किया प्रतियोगिता में विजयी विद्यार्थियों को मानपत्र एवं नगद रासि से सम्मानि किया गया ।डॉ पवित्र सर्मा में इस कारिकर्म मे भाग लेकर सफल बनाने के लिए विद्यार्थियों को धन्यवाद दिया एवं विद्यार्थियों द्वारा रास्ट्रीय संगीत से अनुष्ठान का समापन किया।

Ysaikia

8/11/2024

Scanned with CamScanner

**মনোজ্ঞা বক্তৃতানুষ্ঠান সম্পন্ন**

# চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ত ভাষা গৌৰৱ সপ্তাহ পালন

**অসম বাৰ্তা চিলাপথাৰ, ১০ নৱেম্বৰঃ** চিলাপথাৰৰ বিজ্ঞান মহাবিদ্যালয়ত অসমীয়া বিভাগ আৰু আভ্যন্তৰীণ মান নিৰূপন কোষৰ উদ্যোগত অসমীয়া ভাষাক ভাৰত চৰকাৰে ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ উপলক্ষে অসম চৰকাৰে যোৱা ইংৰাজী ৩ ৰ পৰা ৯ তাৰিখলৈ "ভাষা গৌৰৱ সপ্তাহ" হিচাপে পালন কৰিবলৈ দিয়া নীতি নিৰ্দেশনা অনুযায়ী আজি ইং ৮৪ তাৰিখ শুক্ৰবাৰে মহাবিদ্যালয় প্ৰাংগনত "ভাষা গৌৰৱ সপ্তাহ" দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে এগছি বন্তি মাননীয় অধ্যক্ষ ড° ৰঞ্জিত শইকীয়া ডাঙৰীয়াৰ লগতে মহাবিদ্যালয় অধ্যাপক-অধ্যাপিকাৰ সহযোগত প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছত ৰুক্মিণী ছাত্ৰী নিবাসৰ আবাসি ছাত্ৰীসকলৰ দ্বাৰা অসমৰ জাতীয় সংগীতেৰে মঞ্চ উদ্বোধন কৰা হয়। ইয়াৰ লগে লগে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা তৃষ্ণা ভূএগ্ৰ শইকীয়া বাইদেৱে ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু তাৎপৰ্যৰ বিষয়ে সুন্দৰকৈ কোৱাৰ ওপৰিও ঐতিহ্য আৰু ইতিহাস সম্পৰ্কে মনোগ্ৰাহী আলোচনা আগবঢ়াই। এই সভাত উপস্থিত থাকে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা ও সমূহ ছাত্ৰ-ছাত্ৰী তথা গোলাঘাটৰ সমাজ,সংস্কৃতিৰ লগত জড়িত অভিভাৱক কুমিছ হাজৰিকা দেৱ। সভাত উপস্থিত থকা গণিত বিভাগৰ মুৰব্বী অধ্যাপক ভাস্কৰ জ্যোতি ভূএগ্ৰ দেৱে সভাৰ লগত সংগতি ৰাখি জয়ন্ত হাজৰিকাৰ এটি কালজয়ী গীত পৰিৱেশন কৰাৰ লগতে প্ৰবীণ বৈদ্য আৰু খগেন মৰাং এ গীত পৰিৱেশন কৰে। কাৰ্যসূচী অনুসৰি সভাত উপস্থিত থকা সকলোকে এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ জয়ন্ত সৰকাৰৰ দ্বাৰা এটি স্বৰচিত কবিতা পাঠৰ পিছতে মাননীয় অধ্যক্ষ মহোদয়ে ভাষা এটা জনাৰ আৰু গুৰুত্ব সম্পৰ্কে দুষাষাৰ কোৱাৰ উপৰিও এটি ভূপেন হাজৰিকাৰ গীত গুণ গুণায়। মহাবিদ্যালয়ৰ ছাত্ৰ হিৰণ দলে, ছাত্ৰ হিচাপে অসমীয়া ভাষাক কেনেদৰে গ্ৰহণ আৰু কৰ্তব্য পালন কৰিব সেই সম্পৰ্কে মনৰ অনুভৱ ব্যক্ত কৰে। সভাৰ লগত সংগতি ৰাখি অসমীয়া বিভাগে ছাত্ৰ ছাত্ৰী সকলৰ মাজত দুটা প্ৰতিযোগিতা অনুষ্ঠিত কৰে। বৰ্ণ বিন্যাস শুদ্ধিকৰণ প্ৰতিযোগিতা। এই প্ৰতিযোগিতা আঁতধৰে পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক উৎপল দত্তই আৰু এই অনুষ্ঠানত প্ৰথম পুৰস্কাৰ পাবলৈ সক্ষম হয় অঞ্জনা সৰকাৰ আৰু তানিশা দাসে যুটীয়াভাৱে দ্বিতীয় পুৰস্কাৰ সোনালী হাজং আৰু তৃতীয় ৰশ্মি ৰেখা দাসে অন্য এক আৰ্কষনীয় প্ৰতিযোগিতা হল মাননীয় প্ৰধান মন্ত্ৰী মহোদয়লৈ ধন্যবাদ সূচক এখনি প্ৰত্ৰ লিখাৰ প্ৰিযোগিতা। এই প্ৰতিযোগিতা প্ৰথম পুৰস্কাৰ অমিৰ দলে, দ্বিতীয় পুৰস্কাৰ কুঞ্জলতা কোঁচ আৰু তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে সোনালী হাজং আৰু শিখামণি ৰায়ে। এই সভাখন আৰু অধিক মনোগ্ৰাহী কৰি তুলিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱাৰ সম্পাদিকা চিনা গুৱোং আৰু সাংস্কৃতিক সম্পাদিকা তনুজা মিলি,ৰ দ্বাৰা দুটি সুন্দৰ সৃষ্টিশীল নৃত্য প্ৰদৰ্শন কৰা হয়। ইয়াৰ লগে লগে প্ৰতিযোগিতাত বিজয়ী সকলক একোখনকৈ মানপত্ৰ আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হয়। সদৌ শেষত বঁটা বিতৰণী কাৰ্যসূচী ৰূপায়ন কৰাৰ পিছতে ড° প্ৰবিত্ৰ শৰ্মা আৰু বৰ্ণালী সন্দিকৈৰ দ্বাৰা পৰিচালনা কৰা সভাৰ শলাগৰ শৰাই আগবঢ়াই বৰ্ণালী সন্দিকৈয়ে লগতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে সভা ভংগ কৰা হয়।

M Saikia
8/11/2024

Scanned with CamScanner